Total number of printed pages : 8

16E MASS

# 2016

## ASSAMESE

(MODERN INDIAN LANGUAGE)

**Full Marks : 100**

**Time : Three hours**

***The figures in the margin indicate full marks for the questions.***

১। উত্তৰ কৰাঁ ঃ ১×৪=৪

(ক) সত্যনাথ বৰাই ৰচনা কৰা প্ৰথম পুথিখন কি?

(খ) ড° বাণীকান্ত কাকতিৰ গৱেষণা গ্ৰন্থখনৰ নাম কি?

(গ) হোমাৰ কোন দেশৰ কবি?

(ঘ) 'লাইহাৰাওবা নৃত্য' ক'ত প্ৰচলিত?

GET IT ON Google Play
Install Now
AHSEC Question Paper Commerce HS 2nd Year ASSAM
HS Commerce Question Paper
BELLAL HOSSAIN MONDAL©

Contd.

২। **যিকোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখাঁ ঃ** ২×৪=৮

(ক) বিশ্বপুথিত কেইবিধ আৰু কি কি পাঠ থাকে?

(খ) হাৰ্কিউলিছৰ বৰ্ণনা ক'ত পোৱা যায়? তেওঁ কেইটা অসাধাৰণ কাম কৰিছিল?

(গ) কোনজন ঔপন্যাসিকৰ কোনখন উপন্যাসত প্ৰথম বিহু গীত-নৃত্য সম্পৰ্কে বহল বৰ্ণনা পোৱা যায়?

(ঘ) ধেমনা খেল কোন অঞ্চলৰ? এই খেল কেতিয়া অনুষ্ঠিত হয়?

(ঙ) অথৰ্ব বেদ কি?

(চ) ৰবীন্দ্ৰনাথ ঠাকুৰে কোনখন পুথিৰ বাবে কিমান চনত ন'বেল পুৰস্কাৰ লাভ কৰিছিল?

৩। **যিকোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখাঁ ঃ** ৪×৩=১২

(ক) সৌভাগ্য প্ৰকৃত গৌৰৱৰ কাৰণ হয়নে? বুজাই লিখাঁ।

(খ) বধকাব্যৰ প্ৰধান উদ্দেশ্য কি? *যিকোনো দুখন* বধকাব্যৰ নাম লিখাঁ।

(গ) সাহিত্যত কল্পনাৰ গুৰুত্ব কিমান আলোচনা কৰাঁ।

(ঘ) 'বিশ্ব পাঠ বিজ্ঞান পাঠৰ অন্তৰ্গত'। বুজাই লিখাঁ।

(ঙ) পৰ্বতাৰোহণ অভিযানক কিয় 'টিম গেম' বোলা হয়?

৪। **যিকোনো এটাৰ চমু টোকা লিখাঁ ঃ** ৬

অংকীয়া ভাওনা, অসমৰ লোক-ক্ৰীড়া।

BELLAL HOSSAIN MONDAL

৫। উত্তৰ লিখাঁ ঃ ১×৩=৩

(ক) ভটিমাৰ ভাষা কি?

(খ) প্ৰথম অসমীয়া ৰোমান্টিক কবি কোন?

(গ) নচিকেতা ছদ্মনামত কোনে কবিতা ৰচনা কৰিছিল?

৬। **যিকোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখাঁ ঃ** ২×৪=৮

(ক) মাধৱ কন্দলি কোন যুগৰ কবি? তেওঁৰ পৃষ্ঠপোষক ৰজাজনৰ নাম কি?

(খ) ৰোমান্টিক কবিতাৰ *দুটা* বৈশিষ্ট্য উল্লেখ কৰাঁ।

(গ) দেবকান্ত বৰুৱাক কি কবি বুলি জনা যায়? তেওঁৰ কবিতা পুথিখনৰ নাম কি?

(ঘ) ৰঘুনাথ চৌধাৰীয়ে সম্পাদনা কৰা *দুখন* আলোচনীৰ নাম লিখাঁ।

(ঙ) চেলা গিৰিপথ ক'ত আছে? 'এখন চিঠি' কবিতাত এই গিৰিপথ কোনে অতিক্ৰম কৰা বুলি কোৱা হৈছে?

(চ) 'চতুৰবয়ন' আৰু 'পয়োধি' শব্দৰ অৰ্থ লিখাঁ।

৭। **যিকোনো দুছোৱা ব্যাখ্যা কৰাঁ ঃ** ৪×২=৮

BELLAL HOSSAIN MONDAL

(ক) অস্ত্ৰ বলে ভৰিপুৰি আছে সব লংকা।
মনুষ্য ৰামক প্ৰভু নকৰিবা শংকা।।

(খ) পৰ্বতে পৰ্বতে বগাব পাৰোঁ মই

লতা বগাবলৈ টান,

ৰতনী সোনাইকে বৰাব পাৰোঁ মই

মাকক বুজাবলৈ টান।

(গ) বাহিৰত সউ ঘটে বিপ্লৱ ; অশেষ যতন কৰি

আমি নিৰূপিলোঁ, কানিৰ মূল্য, কিমানত কেই ভৰি !

(ঘ) মৃত্যুয়ে যদি অভিনন্দন জনায়

সেই মৃত্যু পাৰিজাত ফুল

তাত দেৱতাৰ আশীৰ্বাদ আছে।

৮। বশিষ্ঠাশ্ৰমৰ প্ৰাকৃতিক সৌন্দৰ্যৰ এটি বিৱৰণ দিয়াঁ। ৬

*অথবা*

'বনকুঁৱৰী' *নাইবা* 'এখন চিঠি' কবিতাৰ মূলভাব লিখাঁ।

৯। দুৰ্যোগ কেই প্ৰকাৰৰ? ১

১০। যিকোনো দুটা প্ৰশ্নৰ উত্তৰ লিখাঁ ঃ ২×২=৪

(ক) পৰিস্থিতি বিজ্ঞান বা পৰিস্থিতিকী মানে কি?

(খ) পৰিবেশ শব্দৰ আভিধানিক অৰ্থ কি? পৰিবেশ কেইটা উপাদানৰ সমষ্টি?

(গ) দুৰ্যোগ কাক কয়?

(ঘ) দুৰ্যোগ ব্যৱস্থাপনাৰ *যিকোনো দুটা* উদ্দেশ্য লিখাঁ।

BELLAL HOSSAIN MONDAL

১১। 'বায়ু, পানী, মাটি আৰু উদ্ভিদ অফুৰন্ত নহয়' — কথাষাৰ বুজাই লিখাঁ। ৪

**অথবা**

ভূমিকম্পৰ আগতে কৰিবলগীয়া *যিকোনো চাৰিটা* কাৰ্যৰ উল্লেখ কৰাঁ।

১২। যিকোনো এটাৰ বিষয়ে বুজাই লিখাঁ ঃ ৬

পৰিবেশ প্ৰদূষণ, দুৰ্যোগৰ শ্ৰেণী, ভূমিকম্পৰ সৈতে জড়িত সম্ভাব্য সমস্যা।

১৩। 'ক' *নাইবা* 'খ' অংশৰ পৰা উত্তৰ দিয়াঁ ঃ ১×৪=৪

**ক-অংশ**

*(i)* কুশল কোঁৱৰ কোন শ্ৰেণীৰ নাটক?

*(ii)* কুশল কোঁৱৰ নাটকত কেইটা দৰ্শন আছে?

*(iii)* কুশল কোঁৱৰৰ মাতৃৰ নাম কি?

*(iv)* কুশল কোঁৱৰ নাটকত উল্লেখ থকা *যিকোনো এজন* স্বাধীনতা-সংগ্ৰামীৰ নাম লিখাঁ।

**খ-অংশ**

*(i)* অসমৰ প্ৰথম সাহিত্যিক পেঞ্চনাৰ কোন?

*(ii)* টেটোন তামুলী কেইটা অংকবিশিষ্ট নাটক?

*(iii)* টেটোনৰ দেউতাকৰ নাম কি?

*(iv)* টেটোনৰ বায়েক কি কাম কৰিবলৈ গৈছিল?

BELLAL HOSSAIN MONDAL

১৪। 'ক' *নাইবা* 'খ' অংশৰ পৰা **যিকোনো এটা** প্ৰশ্নৰ উত্তৰ লিখাঁ ঃ ২

**ক-অংশ**

*(i)* কুশলক গোম সাপৰ বংশ বুলি কোনে কাৰ আগত কৈছিল?

*(ii)* "আপুনি দুখ নকৰিব বঙহৰ দেউ। দেশৰ কাৰণে আপুনি প্ৰাণ দিব। এয়া সৌভাগ্যৰ কথা।" — কথাষাৰ কোনে ক'ত কৈছিল?

**খ-অংশ**

*(i)* প্ৰহসন বুলিলে কি বুজা?

*(ii)* "...পিতাই পাতাল ছিৰি তলৰ মাটি ওপৰ কৰিবলৈ গৈছে" — কথাষাৰ কোনে কাক কৈছিল?

১৫। 'ক' *নাইবা* 'খ' অংশৰ পৰা **যিকোনো দুটাৰ** উত্তৰ লিখাঁ ঃ ৪×২=৮

**ক-অংশ**

*(i)* নাট্যকাৰ উত্তম বৰুৱাৰ বিষয়ে কি জানা লিখাঁ।

*(ii)* কুশল কোঁৱৰৰ শেষ বাণী কি আছিল?

*(iii)* কুশল কোঁৱৰে কিয় স্কুল এৰি ঘৰলৈ উভতি আহিছিল, বুজাই লিখাঁ।

**খ-অংশ**

BELLAL HOSSAIN MONDAL

*(i)* টেটোনৰ বিৰুদ্ধে থকা *প্ৰথম দুটা* গোচৰ কি কি আছিল, লিখাঁ।

*(ii)* ঘৰৰ পৰা ওলাই গৈ টেটোন প্ৰথমে কি কৰিছিল?

*(iii)* পদ্মনাথ গোহাঞিবৰুৱা ৰচিত নাটকবোৰক কেইটা শ্ৰেণীত বিভক্ত কৰিব পাৰি চমুকৈ লিখাঁ।

১৬। **'ক'** *নাইবা* **'খ'** অংশৰ **যিকোনো এটা প্ৰশ্নৰ** উত্তৰ কৰাঁ ঃ ৬

**ক-অংশ**

*(i)* কুশল কোঁৱৰ নাটকখনৰ *যিকোনো এটা* চৰিত্ৰ বিশ্লেষণ কৰাঁ।

*(ii)* সৰুপথাৰৰ ৰেল দুৰ্ঘটনা সম্পৰ্কে কি জানা লিখাঁ।

**খ-অংশ**

*(i)* টেটোন তামুলীৰ *যিকোনো এটা* চৰিত্ৰ বিশ্লেষণ কৰাঁ।

*(ii)* টেটোন তামুলী নাটকত হাস্যৰসৰ সৃষ্টি কেনেকৈ কৰা হৈছে, আলোচনা কৰাঁ।

১৭। 'ৱ' আৰু 'য়'-ক কিয় অন্তঃস্থ বৰ্ণ বোলা হয়? ২

*অথবা*

অ'ৰ ব্যৱহাৰ থকা *দুটা* শব্দ উল্লেখ কৰাঁ।

১৮। তলত দিয়া **যিকোনো দুযোৰ** সমোচ্চাৰণ শব্দৰ অৰ্থ পাৰ্থক্য দেখুৱাই বাক্য ৰচনা কৰাঁ ঃ ৪

অটল — অতল

দিন — দীন

শুচি — সূচী

কুল — কূল।

*অথবা*

তলৰ **যিকোনো চাৰিযোৰ** শব্দৰ শুদ্ধাশুদ্ধ বিচাৰ কৰাঁ ঃ

অকৰা — অঁকৰা

সঁচা — সচা

সেৱাঁ — সেৱা

চিএৱৰ — চিঁএৱৰ

কেওঁমেওঁ — কেওমেও

ওঁঠ — ওঠ।

BELLAL HOSSAIN MONDAL

১৯। ভাব সম্প্ৰসাৰণ কৰাঁ ঃ 8

চোৰ গ'লে বুধি বৰষুণ গ'লে জাপি।

*অথবা*

মাউখে উটিলে গুৰি পৰুৱাৰো মৰণ নাই।



BELLAL HOSSAIN MONDAL